# দক্ষিণ আফ্ৰিকাৰ বিজ্ঞান একাডেমীৰ মুখ্য কাৰ্যবাহী বিষয়া আৰু প্ৰসিদ্ধ আনুবংশিক বিশেষজ্ঞ ড° হিমলা সুদিয়ালৰ সৈতে প্ৰধানমন্ত্ৰীৰ বৈঠক

আগষ্ট 24, 2023

প্ৰধানমন্ত্ৰী শ্ৰী নৰেন্দ্ৰ মোদীয়ে 2023 চনৰ 24 আগষ্টত জোহান্সবাৰ্গত দক্ষিণ আফ্ৰিকাৰ বিজ্ঞান একাডেমীৰ প্ৰসিদ্ধ আনুবংশিক বিশেষজ্ঞ আৰু মুখ্য কাৰ্যবাহী বিষয়া (CEO) ড° হিমলা সুদিয়ালক সাক্ষাৎ কৰে।

2. তেওঁলোকে মানুহৰ আনুবংশিক ৰেখাৰ ক্ষেত্ৰত আৰু ৰোগ স্ক্ৰীণিংত ইয়াৰ প্ৰয়োগৰ বিষয়ে মত বিনিময় কৰিছিল।

3. প্ৰধানমন্ত্ৰীয়ে ড° সুদিয়ালক আনুবংশিক ক্ষেত্ৰত ভাৰতীয় প্ৰতিষ্ঠানসমূহৰ সৈতে সহযোগিতা কৰিবলৈ আমন্ত্ৰণ জনায়।

**জোহান্সবাৰ্গ**
**আগষ্ট 24, 2023**